# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 05-05-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# **HEADLINES**

১। চৰকাৰে ভাৰতক ২০৩৬ চনৰ অলিম্পিক ক্ৰীড়াৰ বাবে শক্তিশালী দেশ হিচাপে গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি দিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰে।

২। উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি এদিনীয়া ভ্ৰমণসূচীৰে কৰ্ণাটকলৈ ৰাওনা হ'ব।

৩। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি তেলেংগানাত ছহেজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মিত কেইবাটাও পথ মুকলি কৰাৰ লগতে আধাৰশিলা স্থাপন কৰিব।

৪। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত জাপানৰ প্ৰতিৰক্ষা মন্ত্ৰী জেন নাকাটানিৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি পঞ্জাৱ কিংছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক আৰু কলকাতা নাইট ৰাইডাৰ্ছে ৰাজস্থান ৰয়েলছক পৰাস্ত কৰে।

ooooo

চৰকাৰে ভাৰতক ২০৩৬ চনৰ অলিম্পিক ক্ৰীড়াৰ বাবে শক্তিশালী দেশ হিচাপে গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি দিছে। কালি বিহাৰত অনুষ্ঠিত খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া ২০২৫ৰ উদ্বোধনী অনুষ্ঠানত ভাৰ্চুৱেলী অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে তেওঁৰ চৰকাৰে বাজেটত ক্ৰীড়াৰ বাবে নিৰ্ধাৰিত ধন ৰাশি বৃদ্ধি কৰিছে। এইবাৰৰ বাজেটত ক্ৰীড়াৰ বাবে ৪ হাজাৰ কোটি টকা অনুমোদন দিয়া হৈছে। চৰকাৰে ক্ৰীড়াক শীৰ্ষ অগ্ৰাধিকাৰ দিয়াৰ লগতে আন্তঃগাঁথনি উন্নয়নতো গুৰুত্ব দিছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে ক্ৰীড়া প্ৰতিযোগিতাসমূহ এতিয়া গোটেই বছৰ জুৰি অনুষ্ঠিত হয় আৰু ৰাষ্ট্ৰীয় শিক্ষানীতিত ক্ৰীড়াক অধ্যয়নৰ মূল বিষয় হিচাপেও স্বীকৃতি দিয়া হৈছে। তেওঁ কয়, যে বিশ্ববিদ্যালয় ক্ৰীড়া, যুৱ ক্ৰীড়া, শীতকালীন ক্ৰীড়া, পেৰা গেমছ্ ইত্যাদিৰ জৰিয়তে হওক, চৰকাৰে খেলুৱৈসকলক নতুন ৰূপত উজ্জ্বলাই তোলাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। শ্ৰীমোদীয়ে বিহাৰত ক্ৰীড়াৰ উন্নতিৰ বিষয়ে প্ৰকাশ কৰি কয়, যে পাটনা-গঞা ৰাষ্ট্ৰীয় ঘাইপথত ক্ৰীড়া নগৰ উন্নীত কৰা হৈছে। এন ডি এ চৰকাৰৰ দিনত গ্ৰাম্যঞ্চলৰ লগতে ৰাজ্যত ক্ৰীড়াৰ সুবিধা বৃদ্ধি পাইছে। ক্ৰীড়াৰ সৈতে জড়িত অৰ্থনীতিৰ কথা উল্লেখ কৰি তেওঁ কয়, যে ক্ৰীড়া-অৰ্থনীতি কেৱল ষ্টেডিয়ামৰ চাৰিসীমাতেই সীমাবদ্ধ নহয়, ইয়াৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী। ক্ৰীড়াই কৰ্মসংস্থাপনৰ সৃষ্টি কৰাৰ লগতে নিয়োজনৰ নতুন সম্ভাৱনাৰ সৃষ্টি কৰিছে। ক্ৰীড়া উদ্যমিতা, ফিজিঅ'থেৰাপি, ডাটা এনালাইটিক্স, ক্ৰীড়া প্ৰযুক্তি, ক্ৰীড়া সংবাদ মাধ্যম আৰু ইভেণ্ট মেনেজমেণ্টৰ ক্ষেত্ৰতো ক্ৰীড়াই পথ মুকলি কৰিছে।

বিহাৰৰ পাটনাত কালি ১৮ বছৰ অনুৰ্ধ খেলো ইণ্ডিয়া যুথ গেমছ ২০২৫ৰ উদ্বোধনী অনুষ্ঠান অতি আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত হয়। এই ক্ৰীড়াৰ বিভিন্ন প্ৰতিযোগিতাত ৮ হাজাৰ ৫০০কৈও অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাসমূহ পাটনা, ৰাজগীৰ, গঞ্জা, ভৰলপুৰ আৰু বেগুচৰাইৰ লগতে মুঠ ৬ খন ভিন ভিন চহৰত অনুষ্ঠিত হ'ব। চাইক্লিং, শ্যুটিং আৰু এথলেটিক্স প্ৰতিযোগিতাসমূহ নতুন দিল্লীত অনুষ্ঠিত হ'ব।

০০০০০

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি এদিনীয়া ভ্ৰমণসূচীৰে কৰ্ণাটকলৈ ৰাওনা হ'ব। এই ভ্ৰমণকালত উপ ৰাষ্ট্ৰপতিগৰাকীয়ে কৰ্ণাটকৰ উত্তৰ কানাড়া জিলাৰ শিৰশিত অৱস্থিত বন মহাবিদ্যালয় পৰিদৰ্শন কৰিব।

ইয়াৰ পূৰ্বে, উপ ৰাষ্ট্ৰপতিগৰাকীয়ে কালি মধ্যপ্ৰদেশৰ গোৱালিয়ৰত অৱস্থিত ৰাজমাতা বিজয়ৰাজে সিন্ধিয়া কৃষি বিশ্ববিদ্যালয় পৰিদৰ্শন কৰি শিক্ষাৰ্থী আৰু অধ্যাপকসকলৰ সৈতে বাৰ্তালাপত মিলিত হয়। তেওঁ কয়, যে কৃষি ক্ষেত্ৰৰ পৰাই উন্নত ভাৰতৰ পথ নিৰ্মাণ হৈছে। সেয়েহে কৃষকৰ জীৱনলৈ পৰিৱৰ্তন আৰু সমৃদ্ধি অনাৰ ক্ষেত্ৰত কৃষিৰ সৈতে জড়িত প্ৰতিষ্ঠান আৰু শিক্ষাৰ্থীসকলৰ দায়বদ্ধতা আছে। কৃষিৰ সৈতে জড়িত শিক্ষাৰ্থীসকলে প্ৰযুক্তি আৰু গৱেষণাৰ জৰিয়তে কৃষিখণ্ডলৈ বৃহৎ পৰিৱৰ্তন আনিব পাৰে বুলিও উপ ৰাষ্ট্ৰপতিগৰাকীয়ে মত প্ৰকাশ কৰে।

ৰাজ্যপাল মংগুভাই পেটেল, মুখ্যমন্ত্ৰী ড° মোহন যাদৱ, কেন্দ্ৰীয় ডোনাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া আৰু বিশ্ববিদ্যালয়ৰ উপচাৰ্য, অধ্যাপক অৰবিন্দ কুমাৰ শুক্লাও কালিৰ অনুষ্ঠানত উপস্থিত আছিল।

০০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি তেলেংগানাত ছহেজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মিত ১৪টা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ দুহেজাৰ ৮৫ কিলোমিটাৰ পথ মুকলি কৰিব। তেওঁ আশিফাবাদ জিলাৰ কাগজ নগৰত থকা চাৰিলেন যুক্ত ৩৬৩ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথটো মুকলি কৰিব। ইয়াৰ পাছত আজি সন্ধিয়াৰ ভাগত মন্ত্ৰী গাডকাৰীয়ে হায়দৰাবাদত বি এইচ ই এল আৰু আম্বাৰপেটৰ উৰণ সেঁতু মুকলি কৰিব। তেওঁ ৩০০ কোটি টকা ব্যয় সাপেক্ষে আৰমঘৰৰ পৰা শ্বামছাহবাদলৈ সম্প্ৰসাৰিত ছয়লেনযুক্ত পথটো মুকলি কৰিব। ইয়াৰ উপৰিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে তেলেংগানাত কেইবাটাও পথ সম্প্ৰসাৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। ইয়াৰ ভিতৰত ১৭ দশমিক ৭-৯ কিলোমিটাৰ জোৰা নিৰ্মল আৰু খানাপুৰৰ মাজৰ পথ চোৰা, ৪২ কিলোমিটাৰ মানচেৰিয়ল আৰু ৰেপালেভেৰাৰ মাজৰ চাৰিলেন যুক্ত পথচোৰা আৰু ৫২ দশমিক ৬ কিলোমিটাৰ ফ'ৰলেনযুক্ত ৰেপালেৰ পৰা মহাৰাষ্ট্ৰলৈ নিৰ্মাণ কৰিবলগীয়া পথসমূহো আছে। তেওঁ সন্ধিয়াৰ ভাগত হায়দৰাবাদৰ আম্বৰপেটত এখন জনসমাৱেশত ভাষণ দিব।

০০০০০

ন' বিজেপি অৰ্থাৎ বিজেপিক জানক কাৰ্যসূচীৰ অংশ হিচাপে কালি নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ সভাপতি জগত প্ৰকাশ নাড্ডাই এংগোলাৰ ৰাষ্ট্ৰপতি জোৱাঅ' ল'ৰেংকোক সাক্ষাৎ কৰে। বৈঠকত শ্ৰীনাড্ডাই আফ্ৰিকীয় সংঘৰ অধ্যক্ষ পদ গ্ৰহণ কৰাৰ বাবে ৰাষ্ট্ৰপতি ল'ৰেংকোক অভিনন্দন জনায়। তেওঁ বিজেপিৰ সাংগঠনিক পৰিকাঠামো আৰু চলি থকা কাম-কাজসমূহৰ বিষয়েও অৱগত কৰাৰ লগতে বিভিন্ন সম্প্ৰদায়ৰ মাজত দলৰ সৰ্বাংগীন প্ৰসাৰৰ বিষয়তো আলোকপাত কৰে। তেওঁ লগতে,

পাৰস্পৰিক সম্পৰ্ক অধিক শক্তিশালী কৰাৰ বাবে বিজেপি আৰু পপুলাৰ মুভমেণ্ট ফৰ দ্য লিবাৰেচন অৱ এংগোলা চমুকৈ MPLAৰ মাজত প্ৰতিনিধি পৰ্যায়ৰ বৈঠক আৰম্ভ কৰাৰ প্ৰস্তাৱো আগবঢ়ায়।

বাৰ্তালাপত নৰেন্দ্ৰ মোদী চৰকাৰৰ স্বাস্থ্যসেৱাৰ মূল পদক্ষেপসমূহ বিশেষকৈ মহিলা আৰু শিশুকে ধৰি দুৰ্বল শ্ৰেণীৰ সবলীকৰণৰ লক্ষ্যৰে লোৱা ব্যৱস্থাসমূহৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। দুয়োজন নেতাই বিগত দশকত ভাৰত-এংগোলাৰ দ্বিপাক্ষিক সম্পৰ্কৰ অবিৰত অগ্ৰগতি আৰু প্ৰধানকৈ স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ সুযোগসমূহৰ বিষয়ে আলোচনা কৰে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত জাপানৰ প্ৰতিৰক্ষা মন্ত্ৰী জেন নাকাটানিৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ এটা বিবৃতি মতে এই বৈঠকত দুয়োগৰাকী নেতাই আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় নিৰাপত্তা পৰিস্থিতি সন্দৰ্ভত নিজৰ মত আৰু ধাৰণাৰ বিনিময় কৰাৰ লগতে দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতা সন্দৰ্ভত আলোচনা কৰিব। উল্লেখযোগ্য যে, ভাৰত আৰু জাপানৰ মাজত দীৰ্ঘদিনীয়া বন্ধুত্বৰ সম্বন্ধ অক্ষুন্ন আছে।

দুয়োখন দেশৰ সম্পৰ্কৰ ক্ষেত্ৰত প্ৰতিৰক্ষা আৰু নিৰাপত্তা বিষয় দুটা গুৰুত্বপূৰ্ণ স্তম্ভ হিচাপে বিবেচিত হৈছে। বিগত ৬ মাহৰ ভিতৰত দুয়োখন দেশৰ প্ৰতিৰক্ষা মন্ত্ৰীৰ মাজত এয়া দ্বিতীয়খন বৈঠক অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে বিগত বৰ্ষৰ নৱেম্বৰত এনে বৈঠক অনুষ্ঠিত হৈছিল।

ooooo

ভাৰত আৰু বেলজিয়ামে দ্বিপাক্ষিক বাণিজ্য বৃদ্ধি, ঔদ্যোগিক সহযোগিতা বৃদ্ধি আৰু অৰ্ধপৰিবাহী, শক্তি, প্ৰতিৰক্ষা উৎপাদন তথা ঔষধৰ দৰে কৌশলগত খণ্ডত বিনিয়োগ বৃদ্ধিৰ উপায়সমূহৰ বিষয়ে আলোচনা কৰিছে। দুয়োপক্ষই ইউৰোপীয় সংঘ - ভাৰত মুক্ত বাণিজ্য চুক্তিৰ অগ্ৰগতিৰ বিষয়েও পৰ্যালোচনা কৰে আৰু বজাৰত প্ৰৱেশৰ ক্ষেত্ৰত শুল্ক তথা শুল্কবিহীন বিষয়ক বাধাসমূহ সমাধান কৰাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে।

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱেলৰ শেহতীয়া ভ্ৰমণৰ সময়ছোৱাত ব্ৰাছেলছত বেলজিয়ামৰ প্ৰতিৰক্ষা আৰু বৈদেশিক বাণিজ্য মন্ত্ৰী থিও ফ্ৰাংকেন আৰু ফ্লেণ্ডাৰছ অঞ্চলৰ মন্ত্ৰী তথা ৰাষ্ট্ৰপতি মাথিয়াছ ডিপেণ্ডেইলৰ সৈতে এই আলোচনাসমূহ অনুষ্ঠিত হয়।

উল্লেখযোগ্য যে, ইউৰোপীয় সংঘৰ ভিতৰত বেলজিয়াম ভাৰতৰ পঞ্চম বৃহত্তম বাণিজ্যিক অংশীদাৰ আৰু ২০২৩-২৪ বৰ্ষত দুয়ো দেশৰ দ্বিপাক্ষিক বাণিজ্য ১৫.০৭ বিলিয়ন মাৰ্কিন ডলাৰত উপনীত হৈছে।

ভাৰতত বেলজিয়ামৰ প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ পৰিমাণ ২০০০ চনৰ এপ্ৰিলৰপৰা ২০২৪ চনৰ ছেপ্টেম্বৰ মাহলৈ মুঠ ৩.৯৪ বিলিয়ন মাৰ্কিন ডলাৰ হৈছেগৈ আৰু কেৱল যোৱা এটা বৰ্ষতে বিনিয়োগ ৩৯ শতাংশ বৃদ্ধি পাইছে।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে দেশখনৰ বাহিৰত নিৰ্মিত সকলো ধৰণৰ চলচ্চিত্ৰৰ বাবে ১০০ শতাংশ শুল্ক আৰোপ কৰাৰ কথা ঘোষণা কৰিছে। ট্ৰুথ ছ'চিয়েলৰ সৈতে হোৱা কথাবাৰ্তাত ৰাষ্ট্ৰপতি ট্ৰাম্পে কয়, যে তেওঁ দেশখনৰ বাণিজ্য আৰু বাণিজ্য প্ৰতিনিধি বিভাগক আমেৰিকাত প্ৰদৰ্শিত, বিদেশত নিৰ্মিত ছবিৰ ক্ষেত্ৰত ১০০ শতাংশ শুল্ক আৰোপ কৰিবলৈ কৰ্তৃত্ব দিছে। তেওঁ কয়, যে হলীউড আৰু আমেৰিকাৰ অন্যান্য প্ৰান্তৰ চলচ্চিত্ৰ উদ্যোগক বাহিৰা দেশৰ চলচ্চিত্ৰই ধ্বংস কৰিছে। এয়া ৰাষ্ট্ৰীয় সুৰক্ষাৰ ক্ষেত্ৰত ভাবুকি স্বৰূপ বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **গ্ৰীষ্মৰ দিনত সুৰক্ষিতভাৱে থকা** সন্দৰ্ভত ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ বিজ্ঞানী ড° আৰ কে জেনামানি আৰু লেডী হাৰ্ডিঞ্জ চিকিৎসা মহাবিদ্যালয়ৰ মেডিচিন বিভাগৰ অধ্যাপক ড° অনুপম প্ৰকাশৰ সৈতে বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত গ্ৰীষ্মজনিত ৰোগৰ সমস্যা আৰু ইয়াৰ চিকিৎসা সম্বন্ধে ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰাৰ লগতে সামাজিক মাধ্যম **এক্সত, হেছটেগ AskAir** ৰ জৰিয়তেও প্ৰশ্ন সুধিব পাৰিব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ধৰ্মশালাৰ হিমাচল প্ৰদেশ ক্ৰিকেট এছ'চিয়েশ্যন ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছে লক্ষ্ণৌ ছুপাৰ জায়েন্টছক ৩৭ ৰানত পৰাস্ত কৰে। এই জয়ৰ সুবাদত পঞ্জাব কিংছ পইণ্ট তালিকাৰ দ্বিতীয় স্থানলৈ উন্নীত হৈছে।

২৩৭ ৰানৰ লক্ষ্য অনুসৰণ কৰি লক্ষ্ণৌ ছুপাৰ জায়েন্টছে নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটত ১৯৯ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। আয়ুষ বাদ'নিয়ে সৰ্বাধিক ৭৪ ৰান আৰু আব্দুল ছামাদে ৪৫ ৰান কৰে। পঞ্জাৱ কিংছৰ হৈ অৰ্শদীপ সিঙে তিনিটা উইকেট দখল কৰে। খেলখনত প্ৰথমে বেটিং কৰাৰ আমন্ত্ৰণ লাভ কৰা পঞ্জাব কিংছে নিৰ্ধাৰিত অভাৰত পাঁচ উইকেটত ২৩৬ ৰান সংগ্ৰহ কৰিছিল। ৯১ ৰান কৰা পাঞ্জাৱ কিংছৰ প্ৰভসিমৰন সিঙক প্লেয়াৰ অৱ দ্য মেচ ঘোষণা কৰা হয়।

ইপিনে, কালি ইডেন গার্ডেনছত অনুষ্ঠিত প্ৰথমখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে ৰাজস্থান ৰয়েলছক এক ৰানত পৰাস্ত কৰে। ২০৭ ৰানৰ লক্ষ্য অনুসৰণ কৰি ৰাজস্থান ৰয়েলছ্ নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটত ২০৫ ৰানতে থমকি ৰয়।

প্ৰতিযোগিতাত আজি হায়দৰাবাদত ডেলহি কেপিটেলছ- ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭.৩০ বজাত আৰম্ভ হ'ব।

ooooo

**সমাপ্ত**